জনসংযোগ, অসম
মুখ্যমন্ত্ৰীৰ জনসম্পৰ্কৰক্ষী কোষ, দিছপুৰ
প্ৰেছ বাৰ্তা

নং ঃ ৮২৩/২০২০

# বিশিষ্ট লেখক, সাংবাদিক, অৱসৰপ্ৰাপ্ত প্ৰশাসনিক বিষয়া জ্যোতিপ্ৰসাদ শইকীয়াৰ বিয়োগত মুখ্যমন্ত্ৰীৰ গভীৰ শোক প্ৰকাশ

**দিছপুৰ, ১০ ডিচেম্বৰ ঃ** বিশিষ্ট লেখক, সাংবাদিক, তথ্য আৰু জনসংযোগ বিভাগৰ প্ৰাক্তন সঞ্চালক, ভাৰতীয় প্ৰশাসনিক সেৱাৰ অৱসৰপ্ৰাপ্ত বিষয়া জ্যোতিপ্ৰসাদ শইকীয়াৰ মৃত্যুত গভীৰ শোক প্ৰকাশ কৰিছে মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱালে।

আজি এক শোকবাৰ্তাত মুখ্যমন্ত্ৰী সোণোৱালে কয় যে জীৱনকালত প্ৰয়াত জ্যোতিপ্ৰসাদ শইকীয়াই এগৰাকী সাংবাদিক তথা বিশিষ্ট লেখক হিচাপে সমাজলৈ বিশিষ্ট বৰঙনি আগবঢ়াই গৈছে। তথ্য আৰু জনসংযোগ বিভাগৰ সঞ্চালক পদত কাৰ্যনিৰ্বাহ কৰি তেখেতে বিভাগটোক আগুৱাই নিয়াৰ দিশটো অৱদান আগবঢ়াই গৈছে। ভাৰতীয় প্ৰশাসনিক সেৱাৰ বিষয়া হিচাপেও বিভিন্ন পদবীত কাৰ্যনিৰ্বাহ কৰি তেখেতে যথেষ্ট সেৱা আগবঢ়াই গৈছে। এইগৰাকী বিশিষ্ট ব্যক্তিৰ বিয়োগ আমাৰ সমাজ জীৱনৰ বাবে অপূৰণীয় ক্ষতি বুলি মুখ্যমন্ত্ৰীয়ে কয়।

মুখ্যমন্ত্ৰীয়ে প্ৰয়াত জ্যোতিপ্ৰসাদ শইকীয়াৰ বিদেহ আত্মাৰ চিৰশান্তিৰ বাবে ভগৱানৰ ওচৰত প্ৰাৰ্থনা জনোৱাৰ লগতে শোকসন্তপ্ত পৰিয়ালবৰ্গলৈ গভীৰ সমবেদনা জ্ঞাপন কৰে।

**পুঃডেঃ / বঃভাঃ**
**১০/১২/২০২০**